**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 08-06-2026 **Time :** 1800 Hrs.

***Assamese Evening Bulletin***

## ***HEADLINES***

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা শৰ্মা নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাৰ ১২ গৰাকী মন্ত্ৰীৰ মাজত দপ্তৰসমূহ বিতৰণ।

২। ইউৰোপীয় সংঘৰ উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলৰ জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন।

৩। ব্ৰিটিছ্‌ সংসদত বক্তৃতা প্ৰদানৰ বাবে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামী লণ্ডনলৈ ৰাওনা।

**আৰু**

৪। ভাৰত আৰু আফগানিস্তানৰ মাজত নিউ চণ্ডিগড়ত অনুষ্ঠিত টেষ্ট ক্ৰিকেটত আফগানিস্তানৰ বিৰুদ্ধে ভাৰতৰ বৃহৎ জয়।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ লোকসেৱা ভৱনত আয়োজিত এখন বৈঠকত কৃষি আন্তঃগাঁথনি পুঁজিৰ অধীনত ৰাজ্যখনত ৰূপায়িত প্ৰকল্পসমূহৰ অগ্ৰগতি পৰ্যালোচনা কৰে। মুখ্যমন্ত্ৰীয়ে কৃষকসকলে সৰ্বাধিক লাভ অৰ্জন কৰিব পৰাকৈ এই পুঁজি অধিক ফলপ্ৰসূ ব্যৱহাৰত গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে কৃষক, কৃষক উৎপাদক সংস্থা, মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ  হিতাধিকাৰী, উদ্যোগী, বেংক ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰামোন্নয়ন বেংক অৰ্থাৎ নাবাৰ্ডকে ধৰি সকলো অংশীদাৰক একত্ৰিত কৰি বিস্তৃত কৰ্মশালা আয়োজনৰ নিৰ্দেশ দিয়ে। ইয়াৰ লগতে ৰাজ্যৰ অধিকসংখ্যক থলুৱা কৃষিজাত সামগ্ৰীৰ বাবে জি আই টেগ লাভৰ প্ৰচেষ্টা আৰু ৰাজ্যজুৰি জৈৱিক প্ৰমাণীকৰণ প্ৰক্ৰিয়াক অভিযানৰ ৰূপত আগবঢ়াই নিয়াৰ ক্ষেত্ৰতো মুখ্যমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্যিক মন্ত্ৰীসভাৰ ১২ গৰাকী মন্ত্ৰীৰ মাজত দপ্তৰসমূহ আজি বিতৰণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে এই বিষয়ে প্ৰকাশ কৰিছে। এই অনুসৰি গৃহ, ৰাজনৈতিক পৰিক্ৰমা, লোক নিৰ্মাণ, শক্তি, তথ্য আৰু জনসংযোগকে ধৰি কেইবাটাও বিভাগ মুখ্যমন্ত্ৰীয়ে নিজৰ হাতত ৰাখিছে। অশ্বিনী ৰায় সৰকাৰক সামাজিক ন্যায় আৰু সৰলীকৰণ, ভূমি সংৰক্ষণ, সংখ্যালঘূ কল্যাণ আৰু উন্নয়ন বিভাগৰ দায়িত্ব দিয়া হৈছে। অশোক সিংহলক স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, চিকিৎসা, শিক্ষা আৰু গৱেষণা, বিমল বৰাক সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য, ৰাজহুৱা প্ৰতিষ্ঠান আৰু এক্টইষ্ট নীতি, বিশ্বজিৎ দৈমাৰীক হস্ততাঁত বস্ত্ৰ, ৰেচম, ক্ৰীড়া আৰু যুৱ কল্যাণ, দক্ষতা নিয়োগ আৰু উদ্যমিতা তথা খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। জয়ন্ত মল্লবৰুৱাক বিত্ত, বন আৰু পৰিৱেশ, খনি আৰু খনিজ বিভাগৰ দায়িত্ব দিয়া হৈছে। কৌশিক ৰায়ক খাদ্য, ৰাজহুৱা বিতৰণ, গ্ৰাহক পৰিক্ৰমা, গৃহ

নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা, কেশৱ মহন্তক ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, বিজ্ঞান প্ৰযুক্তি, জলবায়ু পৰিৱৰ্তন আৰু সাধাৰণ প্ৰশাসন বিভাগৰ দায়িত্ব অৰ্পণ কৰা হৈছে। কৃষ্ণেন্দু পালক জনস্বাস্থ্য কাৰিকৰী, পাৰ্বত্য এলেকা আৰু বৰাক উপত্যকা উন্নয়ন, নীলিমা দেৱীক পশু পালন, পশু চিকিৎসা, মীন, পিযুষ হাজৰিকাক কৃষি, জলসিঞ্চন আৰু সংসদীয় পৰিক্ৰমা, ডাঃ ৰণোজ পেগুক বিদ্যালয় শিক্ষা, উচ্চ শিক্ষা, ভৈয়াম জনজাতি পৰিক্ৰমা আৰু তথ্য প্ৰযুক্তি বিভাগৰ দায়িত্ব দিয়া হৈছে। একেদৰে সুশান্ত বৰগোঁহাইক জলসম্পদ আৰু ন্যায়িক বিভাগৰ দায়িত্ব দিয়া হৈছে। মুখ্যমন্ত্ৰী নতুন দায়িত্বপ্ৰাপ্ত মন্ত্ৰীসকলে নিষ্ঠা আৰু ঐকান্তিকতাৰে কাম কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০

ভাৰতস্থিত ৰাষ্ট্ৰদূত হাৰ্ভে ডেলফিন আৰু বেলজিয়ামৰ ভাৰতস্থিত ৰাষ্ট্ৰদূত ডিডিয়েৰ ভাণ্ডাৰহেছেল্টৰ নেতৃত্বত অহা ইউৰোপীয় সংঘৰ এটা উচ্চ পৰ্যায়ৰ প্ৰতিনিধি দলে আজি মৰিগাঁও জিলাৰ জাগীৰোডৰ টাটা ছেমিকণ্ডাক্টৰ প্ৰকল্প পৰিদৰ্শন কৰে। পৰিদৰ্শন কালত জিলাখনৰ আয়ুক্ত অনামিকা তিৱাৰীয়ে তেওঁলোকক সংগ দি জিলাখনৰ সামগ্ৰিক উন্নয়ন, ঔদ্যোগিক ক্ষেত্ৰত সম্ভাৱনা আদিৰ বিষয়ে প্ৰতিনিধিসকলক অৱগত কৰে। দলটোৱে প্ৰকল্পটোৰ নিৰ্মাণ ক্ষেত্ৰৰ অগ্ৰগতি, উৎপাদন ব্যৱস্থা, দক্ষ মানৱ সম্পদ গঢ়ি তোলাৰ প্ৰচেষ্টা আৰু ভৱিষ্যৎ পৰিকল্পনাসমূহৰ বিষয়ে বুজ লয়। এই পৰিদৰ্শনে আন্তৰাষ্ট্ৰীয় বিনিয়োগ, প্ৰযুক্তিগত সহযোগিতা আৰু বিশ্বজুৰি ঔদ্যোগিক অংশীদাৰিত্বৰ ক্ষেত্ৰত নতুন সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব বুলি আশা কৰা হৈছে। এই প্ৰকল্পই অসমক বিশ্বৰ ছেমিকণ্ডাক্টৰ আৰু ইলেকট্ৰনিক সামগ্ৰী উৎপাদনৰ মানচিত্ৰত বিশেষ স্থান প্ৰদান কৰাৰ লগতে ৰাজ্যখনৰ আৰ্থ-সামাজিক উন্নয়ন, কৰ্মসংস্থাপন সৃষ্টি আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি প্ৰতিনিধি দলটোৱে মত প্ৰকাশ কৰে।

০০০০০০০

ব্ৰিটিছ সংসদত অসমৰ বৈষ্ণৱ সংস্কৃতি আৰু সমাজ জীৱনত ইয়াৰ প্ৰভাৱ সন্দৰ্ভত বক্তৃতা প্ৰদানৰ বাবে আউনীআটী সত্ৰৰ সত্ৰাধিকাৰ ড০ পিতাম্বৰ দেৱগোস্বামী লণ্ডনলৈ ৰাওনা হৈছে। ব্ৰিটেইনৰ সংসদৰ ৬২ গৰাকী সদস্যৰ উপস্থিতিত দুঘণ্টাৰ বাবে হ'বলগীয়া কাৰ্যসূচীত বক্তৃতাৰ লগতে সত্ৰীয়া নৃত্য-গীতো পৰিৱেশন কৰা হ'ব। সত্ৰাধিকাৰগৰাকীয়ে লণ্ডনলৈ ৰাওনা হোৱাৰ পূৰ্বে ব্ৰিটিছ সংসদৰ বক্তৃতা সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয়-

**বাইট**

০০০০০০০

কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ তুলিৰাম ৰংহাঙে আজি পাহাৰীয়া জিলাখনত নিৰ্মাণ হ'বলগীয়া জলবিদুৎ আঁচনিৰ পাম্প ষ্টোৰেজ প্ৰকল্পৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ প্ৰস্তাৱিত জলবিদ্যুৎ প্ৰকল্প কাৰ্যকৰী হ'লে জিলাখনৰ আৰ্থসামাজিক উন্নয়ন হ'ব বুলি আশা প্ৰকাশ কৰে। এই পৰ্যালোচনা সভাত মুখ্যমন্ত্ৰী অতিৰিক্ত মুখ্য সচিব কে কে দ্বিৱেদী, সাংসদ, বিধায়ক, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য সচিব আৰু জিলা আয়ুক্ত উপস্থিত থাকে।

০০০০০০০

জনতাৰ শিল্পী জুবিন গাৰ্গৰ সোঁৱৰণত আজি ধেমাজি যুৱ সমাজে জিয়াঢল নদীৰ সমীপৱৰ্তী অঞ্চলত বনানিকৰণৰ কাৰ্যসূচী গ্ৰহণ কৰে। মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে প্ৰস্তাৱিত বনাঞ্চলত গছপুলি ৰোপণেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। বনানিকৰণৰ জৰিয়তে প্ৰাণৰ শিল্পীগৰাকীক জীয়াই ৰখাৰ উদ্দেশ্যে জুবিন অৰণ্য গঢ়ি তোলাৰ প্ৰয়াসক মন্ত্ৰীগৰাকীয়ে শলাগ লয়।

**বাইট**

উল্লেখযোগ্য যে, ধেমাজি যুৱ সমাজৰ উদ্যোগত জিলা বন বিভাগ আৰু প্ৰকৃতি প্ৰেমী যাদৱ পায়েঙৰ সহযোগত এই কাৰ্যসূচী লোৱা হৈছে।

০০০০০০০

শোণিতপুৰ আৰক্ষীয়ে জিলাখনৰ ১ নম্বৰ বচাচিমলু অঞ্চলত অভিযান চলাই নিচাযুক্ত সামগ্ৰীসহ এজন সৰবৰাহকাৰীক আটক কৰে। আটকাধীন লোকজন শোণিতপুৰ জিলাৰ ঢেকিয়াজুলি আৰক্ষী থানাৰ অন্তৰ্গত ফটাচিমলু নিবাসী বাহাৰুল ইছলাম বুলি চিনাক্ত কৰা হৈছে। আৰক্ষীয়ে লোকজনৰ পৰা ৪০টা প্লাষ্টিকৰ কণ্টেইনাৰ জব্দ কৰিছে।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ দীঘলীপুখুৰীৰ যুদ্ধ স্মাৰক ক্ষেত্ৰত দেশৰ হকে প্ৰাণ আহুতি দিয়া বীৰ ছহিদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। সৈনিক কল্যাণ সঞ্চালকালয়ৰ উদ্যোগত আয়োজিত আমাৰ ছহিদ শ্ৰদ্ধাঞ্চলি শীৰ্ষক কাৰ্যসূচীত ৰাজ্যপালগৰাকীয়ে ছহিদসকলৰ অদম্য সাহস, বীৰত্ব, দেশপ্ৰেম আৰু নিষ্ঠাক শ্ৰদ্ধাৰে স্মৰণ কৰে। অনুষ্ঠানত দেশৰ বাবে প্ৰাণ আহুতি দিয়া ছগৰাকী বীৰ ছদিহৰ পৰিয়ালক বিশেষভাৱে সন্মানিত কৰা হয়। উল্লেখযোগ্য যে ৰাজ্যখনৰ মুঠ ১০৪ গৰাকী জোৱানে এতিয়ালৈকে দেশৰ বাবে প্ৰাণ বিসৰ্জন দিছে।

০০০০০০০

আকাশবাণীয়ে আজি ৯০ বছৰ সম্পূৰ্ণ কৰিলে। ১৯৩৬ চনৰ এই দিনটোতে ইণ্ডিয়ান ষ্টেট ব্ৰডকাষ্টিং ছাৰ্ভিচৰ নাম সলনি কৰি অল ইণ্ডিয়া ৰেডিঅ' হিচাপে নামকৰণ কৰা হৈছিল। দেশৰ সাংস্কৃতিক, তথ্য আৰু সম্প্ৰচাৰৰ ইতিহাসত আজিৰ দিনটো এটা বিশেষ ক্ষণ হিচাপে ধৰা হয়, কাৰণ এই দিনটোতেই প্ৰজন্মৰ পাছত প্ৰজন্মলৈ প্ৰতিধ্বনিত হোৱা এটা কণ্ঠৰ জন্ম হয়।

স্বাধীনতাৰ পাছত অল ইণ্ডিয়া ৰেডিঅ'ৰ দ্ৰুত সম্প্ৰসাৰণ হয় আৰু ১৯৫৬ চনত পুনৰ ইয়াৰ নাম সলনি কৰি আকাশবাণী ৰখা হয়। বৰ্তমান আকাশবাণীয়ে ৫৯১টা কেন্দ্ৰৰ পৰা ২৩ ভাষা আৰু ১৪৬টা উপ-ভাষাত দেশৰ মুঠ জনসংখ্যাৰ ৯৮ শতাংশ লোকৰ বাবে সেৱা আগবঢ়াই আছে। আকাশবাণীৰ বৈদেশিক সেৱা বিভাগে ১০০ খনৰো অধিক দেশত সম্প্ৰচাৰৰ জৰিয়তে ভাৰতৰ কণ্ঠক বিশ্বত প্ৰতিষ্ঠা কৰিছে। একেদৰে বহুজন হিতায়, বহুজন সুখায় আদৰ্শৰে আকাশবাণীৰ বাতৰি সেৱা বিভাগে প্ৰায়বোৰ মুখ্য ভাষা আৰু উপ-ভাষাত ২৪ ঘণ্টাই সমগ্ৰ দেশৰ প্ৰতিটো ঘটনাৰ বাতৰি পৰিৱেশন কৰি আহিছে।

কেন্দ্ৰীয় সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে আকাশবাণীৰ ৯০ বছৰীয়া বৰ্ণিল যাত্ৰা উপলক্ষে শুভেচ্ছা জনাইছে। এটা ভিডিঅ বাৰ্তাত শ্ৰীৰিজিজুৱে কয়, যে বৰ্তমান সমগ্ৰ ৰাষ্ট্ৰ আকাশবাণীৰ সৈতে জড়িত হৈ

আছে। আকাশবাণীৰ জৰিয়তে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ভাৱনা অধিক শক্তিশালী হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০০

ভাৰত আৰু আফগানিস্তানৰ মাজত নিউ চণ্ডিগড়ত অনুষ্ঠিত টেষ্ট ক্ৰিকেটত ভাৰতে আফগানিস্তানক এক ইনিংছ আৰু ৩০০ ৰাণত পৰাস্ত কৰে। আফগানিস্তানে আজি তৃতীয় দিনাৰ খেলত নিজৰ দ্বিতীয় ইনিংছত ৩৫ অভাৰ আৰু পাঁচটা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১২ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দলটোৱে ১৫২ ৰানত আটাইকেইটা উইকেট হেৰুৱাই নিজৰ প্ৰথম ইনিংছ সামৰিছিল।

ইয়াৰ পূৰ্বে ভাৰতে কালি নিজৰ প্ৰথম ইনিংছৰ সামৰণিত ৮ উইকেটৰ বিনিময়ত ৫৬৪ ৰান সংগ্ৰহ কৰে। দলৰ হৈ অধিনায়ক শুভমন গীলে ১২৬ ৰান কৰাৰ লগতে কে এল ৰাহুলে ১০০ ৰান কৰে। ঋষভ পন্ট আৰু সাই সুদৰ্শনে ৮১ ৰানকৈ বৰঙণি আগবঢ়ায়। ৱাশ্বিংটন সুন্দৰ ৫২ ৰান কৰি আউট নোহোৱাকৈ থাকে। আফগানিস্তানৰ প্ৰথম ইনিংছত মানৱ সুথাৰে সৰ্বাধিক ৬টা উইকেট লোৱাৰ বিপৰীতে দ্বিতীয় ইনিংছত ৱাশ্বিংটন সুন্দৰে ৪টা উইকেট দখল কৰে।

০০০০০০০

সমাপ্ত